মানুহে যেতিয়া অন্যায়কাৰীক অন্যায় কৰা দেখিও তাৰ প্ৰতিৰোধ বা প্ৰতিবাদ নকৰিব, (তেন্তে জানি থোৱা) শীঘ্ৰেই সিহঁত আটায়েৰে ওপৰত আল্লাহৰ শাস্তি অৱতীৰ্ণ হ'ব।

আবু বকৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ হে মানৱজাতি ! তোমালোকে নিশ্চয় এই আয়াত পঢ়িছা , (يَا أَيُّهَا الّذِينَ آمَنُوا عَلَيْكُمْ أَنْفُسَكُمْ لاَ يَضُرُّكُمْ مَنْ ضَلَّ إِذَا اهْتَدَيْتُمْ) অৰ্থঃ "হে মুমিনসকল! তোমালোকৰ দায়িত্ব তোমালোকৰ ওপৰতেই। তোমালোকে যদি সৎপথত পৰিচালিত হোৱা তেন্তে যিয়ে পথভ্ৰষ্ট হৈছে সি তোমালোকৰ কোনো ক্ষতি কৰিব নোৱাৰিব।" মই এই আয়াত সম্পৰ্কে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ, তেখেতে কৈছেঃ মানুহে যেতিয়া অন্যায়কাৰীক অন্যায় কৰা দেখিও তাৰ প্ৰতিৰোধ বা প্ৰতিবাদ নকৰিব, (তেন্তে জানি থোৱা) শীঘ্ৰেই সিহঁত আটায়েৰে ওপৰত আল্লাহৰ শাস্তি অৱতীৰ্ণ হ'ব।

[ছহীহ] [(আবু দাঊদ, তিৰমিজী, নাছায়ী ফিল কুবৰা , ইবনে মাজাহ, আহমদ)]

হাদীছটোত আবু বকৰ ৰাদ্বিয়াল্লাহু আনহুৱে জনাইছে যে, মানুহে এই আয়াতটো পাঠ কৰে। {يَا أَيُّهَا الَّذِينَ آمَنُوا عَلَيْكُمْ أَنْفُسَكُمْ لاَ يَضُرُّكُمْ مَنْ ضَلَّ إِذَا اهْتَدَيْتُمْ} হে মুমিনসকল! তোমালোকৰ দায়িত্ব তোমালোকৰ ওপৰতেই। তোমালোকে যদি সৎপথত পৰিচালিত হোৱা তেন্তে যিয়ে পথভ্ৰষ্ট হৈছে সি তোমালোকৰ কোনো ক্ষতি কৰিব নোৱাৰিব। (ছুৰা আল-মায়িদাহঃ ১০৫) আৰু তেওঁলোকে ভাবে যে, ইয়াত কেৱল নিজৰ সংশোধনৰ কথাই কোৱা হৈছে, নিজে সংশোধন হ'লে বেলেগৰ পথভ্ৰষ্টতাই কোনো ক্ষতি নকৰিব , আৰু তেওঁলোকক সৎকৰ্মৰ আদেশ আৰু অসৎকৰ্মৰ পৰা নিষেধ কৰাৰ দায়িত্ব সম্পৰ্কে জবাবদিহি কৰা নহ 'ব। গতিকে হাদীছটোত তেওঁ জনাইছে যে, বিষয়টো তেনেকুৱা নহয়। তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছে, তেখেতে কৈছেঃ মানুহে যেতিয়া অন্যায়কাৰীক অন্যায় কৰা দেখি প্ৰতিৰোধ কৰাৰ ক্ষমতা থকাৰ পিছতো তাক বাধা নিদিব, তেন্তে (জানি থোৱা) শীঘ্ৰেই আল্লাহে সিহঁত সকলোৰে প্ৰতি শাস্তি অৱতীৰ্ণ কৰিব, অৰ্থাৎ অন্যায়কাৰী আৰু মৌন হৈ থকা সকলোৰে ওপৰত।

http://sunnah.global/hadeeth/as/show/3470